# মোৰ মাতৃমোখ দৰ্শন

---

**অতি চমু প্ৰশ্নৰ উত্তৰ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক-১)**

প্ৰশ্ন ১.‘মোৰ মাতৃমুখ দৰ্শন’ শীৰ্ষক পাঠটোৰ কৰ পৰা সংগ্ৰহ কৰা হৈছে?

উত্তৰঃ ‘মোৰ মাতৃমুখ দৰ্শন’ শীৰ্ষক পাঠটো ড০ নগেন শইকীয়া সম্পাদিত বেজবৰুৱা ৰচনাৱলী (প্ৰথম খণ্ড)ৰ পৰা সংগ্ৰহ কৰা হৈছে।

প্ৰশ্ন ২. সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অবস্থিত?

উত্তৰঃ সম্বলপুৰ ভাৰতৰ উৰিষ্যা ৰাজ্যত অবস্থিত।

প্ৰশ্ন ৩. বেজবৰুৱাই ‘মোৰ মাতৃমুখ’ দৰ্শনৰ বাবে কৰ পৰা ক’লৈ যাত্ৰা কৰিছিল?

উত্তৰঃ বেজবৰুৱাই ‘মোৰ মাতৃমুখ’ দৰ্শনৰ বাবে উৰিষ্যাৰ সম্বলপুৰৰ পৰা অসম (গুৱাহাটী)লৈ যাত্ৰা কৰিছিল।

প্ৰশ্ন ৪. ১৯৩০ চনৰ ১৯ ছেপ্তেম্বৰত সম্বলপুৰৰ পৰা অসমলৈ যাত্ৰা কৰোঁতে বেজবৰুৱাৰ সংগী কোন আছিল?

উত্তৰঃ ১৯৩০ চনৰ ১৯ ছেপ্তেম্বৰত সম্বলপুৰৰ পৰা অসমলৈ যাত্ৰা কৰোঁতে  বেজবৰুৱাৰ সংগী হিচাপে পত্নী প্ৰজ্ঞাসুন্দৰী দেবী আৰু সৰু জীয়ৰী আছিল।

প্ৰশ্ন ৫.লক্ষ্মীনাথ বেজবৰুৱা ৰচিত এখনি গদ্যপুথিৰ নাম লিখা ।

উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচিত এখনি গদ্যপুথিৰ নাম হৈছে-'তত্ব কথা'।

## অতি চমু প্ৰশ্নৰ উত্তৰ – মূল্যাংকঃ ২/৩

প্ৰশ্ন ১.'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা ।

উত্তৰঃ 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই সুদীৰ্ঘ ডেৰকুৰি দুকুৰি বছৰত মূৰত নিজ মাতৃভূমি অসমলৈ উভতি অহাৰ মূল কাৰণ, লগতে অসমলৈ আহি অসমৰ বিভিন্ন ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ কথা বৰ্ণনা কৰিছে । জীৱনৰ সৰহ সময় অসমৰ বাহিৰত কটোৱাৰ পিছত এফালে দেশবাসীৰ আহ্বান, আনফালে মাতৃভূমিৰ প্ৰতি থকা প্ৰবল হেঁপাহৰ ফলত শেষ বয়সত বেজবৰুৱাদেৱে নিজ মাত্ৰিভূমিলৈ উভতি অহাৰ সংকল্প লয় । নিজ দেশলৈ উভতি আহি অসমী আইৰ ৰূপসুধা পান কৰি আপ্লুত হৈ যি বৰ্ণনা দাঙি ধৰিছে আৰু অসমৰ পুৰষ-নাৰী পৰিৱৰ্তনৰ দিশত যিদৰে আগবাঢ়িছে, সেই কথা সুন্দৰ ৰূপত পাঠটীৰ জৰিয়তে তুলি ধৰিছে । সেয়েহে 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিৰ নামকৰণ সাৰ্থক হৈছে বুলি একমুখে ক'ব পাৰি ।

প্ৰশ্ন ২.'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিত 'মাতৃ' শব্দৰে কি বুজোৱা হৈছে?

উত্তৰঃ 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিত 'মাতৃ' শব্দৰে নিজৰ মাতৃভূমি অসমৰ কথাক বুজোৱা হৈছে ।

প্ৰশ্ন ৩.লক্ষ্মীনাথ বেজবৰুৱাক কটন কলেজৰ ছাত্ৰসকলে কিদৰে অভিনন্দন জনাইছিল?

উত্তৰঃ সুদীৰ্ঘ কাল উৰিষ্যাৰ সম্বলপুৰত থকাৰ পিছত লক্ষ্মীনাথ বেজবৰুৱা অসমলৈ উভতি আহে। আনন্দত চেঁচা পানী ঢালি বেজবৰুৱাদেৱ 'মেলেৰিয়া' জ্বৰত আক্ৰান্ত হ'ল। সেইদিনাই গধূলি সভা পাতি কটন কলেজৰ ছাত্ৰসকলে তেখেতক অভিনন্দন জনালে। জ্বৰ ভালদৰে এৰা নাছিল যদিওঁ ছাত্ৰবন্ধুসকলৰ একাগ্ৰ আগ্ৰহক নেওচা দিব পৰা নাছিল। সভালৈ গৈ তেওঁ দেখিলে ছাত্ৰবন্দুসকলৰ কি উৎসাহ, কি আনন্দ! বেজবৰুৱাই সপোনতো ভবা নাছিল, কেনেকৈ তেওঁ ছাত্ৰসকলৰ অতৰাত্মাত বিৰাজ কৰিছিল। জ্বৰৰ কথা পাহৰি বেজবৰুৱা ডেকাসকলৰ মাজৰ এজন ডেকা হৈ পৰিছিল। ডেকাসকলৰ মাজৰপৰা কোনোজনে শুৱলাকৈ ইংৰাজী আৰু অসমীয়া ভাষাত বক্তৃতা দিছিল। কোনোজনে সুললিত কণ্ঠেৰে গীত গাইছিল। বেজবৰুৱাৰ এনে অনুভৱ হৈছিল যেন তেওঁৰ জীৱনৰ নোমাব ধৰা চাকিগছ তেল-শলা দি পুনৰ জ্বলাই তুলিছিল। তেনে ক্ষণত তেখেত উপলব্ধি কৰিছিল কলিকতাত চৰকাৰী বৃত্তিৰ ছাত্ৰৰ সংখ্যা বঢ়োৱাতকৈ গুৱাহাটীত কলেজ স্থাপন কৰি লাভবান হোৱাৰ কথা। এনেদৰে এক উৎসৱমুখৰ পৰিৱেশত কটন কলেজৰ ছাত্ৰসকলে বেজবৰুৱাক অভিনন্দন জনাইছিল।

প্ৰশ্ন ৪.'মোৰ মাতৃমুখ দৰ্শন'ৰ লেখকে উল্লেখ কৰা 'মাজিউ' আৰু 'জ্ঞান' কোন আছিল?

উত্তৰঃ 'মোৰ মাতৃমুখ দৰ্শন'ৰ লেখকে উল্লেখ কৰা 'মাজিউ' আছিল সুকবি, সুবিখ্যাত চাহ খেতিয়ক, সদাগৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা আৰু 'জ্ঞান' আছিল আৰ্ল কলেজৰ প্ৰসিদ্ধ প্ৰিন্সিপাল, উদাৰহৃদয় মিষ্টাৰ জে. বৰুৱা, বেৰিষ্টাৰ এট্-লৰ।

প্ৰশ্ন ৫.লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ তিনিটা কাৰণ উল্লেখ কৰা।

উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ তিনিটা কাৰণ হ'লঃ-

(ক) গুৱাহাটীৰ প্ৰাকৃতিক সৌন্দৰ্য ।

(খ) ঐতিহাসিক উৎকৰ্ষ ।আৰু

(গ) প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা ।

## দীঘলীয়া প্ৰশ্নৰ উত্তৰ – মূল্যাংক- ৪/৫

প্ৰশ্ন ১.'মোৰ মাতৃমুখ দৰ্শন' পাঠটিৰ আধাৰত লেখক লক্ষ্মীনাথ বেজবৰুৱাই সম্বলপুৰৰ পৰা গুৱাহাটীলৈ কৰা ৰে'ল যাত্ৰাৰ চমু বিৱৰণ আগবঢ়োৱা ।

উত্তৰঃ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত বেজবৰুৱাদেৱে সুদূৰ সম্বলপুৰৰ  পৰা গুৱাহাটিলৈ কৰা ৰেল যাত্ৰাৰ এক বিচিত্ৰ বিৱৰণ দাঙি ধৰিছে ।

১৯৩০ খ্ৰীষ্টাব্দৰ ১৯ ছেপ্তেম্বৰত কোম্পানীৰ ভাড়া ৰেলগাড়ীত বেজবৰুৱাই পৰিবাৰ প্ৰজ্ঞাসুন্দৰী দেৱী আৰু সৰু জীৰ সৈতে উভতনি যাত্ৰা আৰম্ভ কৰিলে । সম্বলপুৰৰ পৰা গুৱাহাটীলৈ কৰা এই দীঘলীয়া যাত্ৰাত তেওঁলোক বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হৈছিল । বেংগল-নাগপুৰ ৰেলৰ ঝাৰচোগোড়া জংছন সম্বলপুৰৰ পৰা প্ৰায় ৩১ মাইল দূৰত । গধূলি চাৰে পাঁচ বজাত সম্বলপুৰত ৰেলত উঠি দুঘন্টামানৰ মূৰত ঝাৰচোগোড়া পোৱাগৈ যায় । তাতে চাৰে সাত বজাত কলিকতাৰ ফালে যোৱা বোম্বাই মেইল গাড়ীখন উঠিব লাগে । কিন্তু দুৰ্ভাগ্যবশতঃ সেইদিনা তেওঁলোক গৈ পোৱাৰ আগতে বোম্বাই মেইল গাড়ীখন এৰিলে । ফলত তেওঁলোক ষ্টেশ্যনতে পৰিবলগীয়া হ'ল। শেষত ৰাতি দুই বা তিনি বজাত এখন পেছেঞ্জাৰ গাড়ী ঝাৰচোগোড়াৰ পৰা কলিকতালৈ যায় । সেইখনতে তেওঁলোক উঠিল আৰু পিছদিনা আঠমান বজাত কলিকতা

পায়গৈ। ডাঙৰ কথাতো হ'ল তেওঁলোক বাটত খাবলৈ একোৱেই নিয়া নাছিল। ষ্টেশ্যনত বিক্ৰী কৰা কচুৰি, শিঙৰা কিনি লৈ ভোক নিবাৰণ কৰিবলগা হ'ল। দিনে চাৰিসাজকৈ খোৱাৰ অভ্যাস থকা বেজবৰুৱা আৰু তেওঁৰ সহযাত্ৰী পত্নী তথা জী বৰ বিপদত পৰিল। তদুপৰি পেচেঞ্জাৰ গাড়ীত ডাইনিং কাৰ নাথাকে। গাৰ্ডক লৈ বেজবৰুৱাদেৱে খৰগপুৰ আৰু চক্ৰধৰপুৰ ৰিফ্ৰেছমেন্ট ৰোমৰ মেনেজাৰলৈ টেলিগ্ৰাম কৰি জনালে অলপ আহাৰৰ আয়োজন কৰি থ'বলৈ। কিন্তু তাৰ কোনো উত্তৰ নাপালে ভোকে-ভাগৰে তেওঁলোক কলিকতা পালেগৈ। কলিকতাত ভাত খাই পেটক প্ৰবোধ দি মহানুৰৰ এঠাইৰ এটি ঘৰত শুই থাকে। পিছদিনা কলিকতাৰ শিয়ালদহ ষ্টেশ্যনৰ পৰা গুৱাহাটীলৈ বুলি যাত্ৰা আৰম্ভ কৰে। বাটত তেওঁলোকক মগনিয়াৰবিলাকে বোৰ আমনি কৰিছিল। দ্বিতীয় শ্ৰেণীৰ আন কোঠালি নথকাত সকলো যাত্ৰী একেটা শ্ৰেণীৰ ডবাতে উঠিবলগীয়াত পৰিছিল। বাটত ৰুগীয়া ল'ৰা এটা লৈ মাক-বাপেক আৰু দুই-তিনিজনমান মানুহে কোঠালিটো ভৰাই পেলাইছিল। ৰোগীয়ে ঠাণ্ডা পাব বুলি ডবাৰ দুৱাৰ-খিৰিকীবোৰ মাৰি দিয়াত ডবাটো দুৰ্গন্ধৰে ভৰি পৰিছিল। তেওঁলোকে বোৰ অস্থিৰ পৰিৱেশত আহিবলগীয়া হ'ল। একৈশ ছেপ্তেম্বৰ তাৰিখে শিয়ালদহ ষ্টেশ্যন এৰা ৰেলগাড়ীখন আহি তেওঁলোক বাইশ তাৰিখে গুৱাহাটীত উপস্থিত হয়হি। এনেদৰে তিতা-মিঠা অভিজ্ঞতা আৰু কষ্টৰ মাজেৰে বেজবৰুৱাদেৱৰ সম্বলপুৰৰ পৰা গুৱাহাটীলৈ অহা যাত্ৰা সফল হ'ল।

প্ৰশ্ন ২.'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক পাঠটিত লেখকে উল্লেখ কৰা মহাদেৱৰ কৃষি কৰ্মৰ কাহিনীটো তোমাৰ নিজৰ ভাষাত লিখা।

উত্তৰঃ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষক প্ৰবন্ধটিত সুদূৰ সম্বলপুৰৰ অসমলৈ ঘূৰি আহিব নোৱাৰাৰ প্ৰসংগত লিখকে মহাদেৱৰ কৃষিকৰ্মৰ বৰ্ণনা এটি সুন্দৰ ৰূপত তুলি ধৰিছে।

কৰ্মসূত্ৰে বেজবৰুৱাদেৱ সুদীৰ্ঘ ডেৰকুৰি-দুকুৰি বছৰ উৰিষ্যাৰ সম্বলপুৰত আছিল। বেজবৰুৱাদেৱৰ ডিব্ৰুগড়স্থিত মাজু জীয়েক-জোঁৱাইক দেউতাকক বাৰম্বাৰ কাকূতি-মিনতি কৰে এবাৰ

ডিব্ৰুগড়লৈ আহি যাবলৈ । বিভিন্ন সমস্যাত পৰি তেওঁ আজি যাম, কাইলৈ যাম বুলিও প্ৰায় দুবছৰ ধৰি আহিব পৰা নাছিল । অৱশেষত তেওঁলোকে বেজবৰুৱাদেৱৰ ওচৰত ৰোহ পাতিলে । যেনেকৈ মহাদেৱে পাৰ্বতীৰ ওচৰত ঠেহ পাতিছিল । ঘটনাটো আছিল এনেধৰণৰ-

তাহানি হেনো এদিন পাৰ্বতীয়ে মহাদেৱক ধিক্কাৰ দি কৈছিল যে মহাদেৱে ভাং-ধতুৰা খাই বহি থাকে, গৃহস্থৰ কাম-কাজ একো নকৰে । আনকি ঘৰতে বৃষভটো আছে, সি ঘাঁহ-পানী খাই নোদোকাটো হৈ পৰিছে, তাৰে হাল বাই খেতি-বাতি কৰি এগাল ধানকে নাৰ্জে কিয় ? ঘৈণীয়েকৰ ককৰ্থনা শুনি মহাদেৱৰ বোৰ বেজাৰ লাগিল । তেওঁ তেতিয়াই খেতি কৰিবলৈ যাবলৈ দৃঢ় সংকল্প কৰি বৃষভটোৰ ওপৰত উঠি টুকটুক কৰে গৈ খেতি কৰিবলৈ লাগিল । তেখেত হ'ল দেৱাদিদেৱ মহাদেৱ, তেখেতে খেতিত ধৰিলে আৰু ৰাখে কোনে ? খেতি উভৈনদী হ'ল । তেওঁৰ খাৱন-শোৱন গুছিল । আনকি ঘৰলৈ আহবলৈকো পাহৰিলে । পাৰ্বতীয়ে দেখিলে, মহামস্কিলখন হ'ল । গিৰীয়েক অকৰা মৈত উঠি নমাই হ'ল । গিৰীয়েকক মাতি আনিবলৈ পাৰ্বতীয়ে প্ৰথমতে নন্দী-ভৃংগীকে আদি কৰি যোৰে যোৰে মানুহ পঠিয়াইহে পঠিয়ায়, গিৰীয়েক নাহে । উপায় নাপাই পাৰ্বতীয়ে মহৰ্ষি নাৰদক ধৰিলে । নাৰদে উভতি আহি ক'লে যে মহাদেৱে কাৰো কথা নুশুনে আৰু কোনো তেওঁঅৰ ওচৰ চাপিবকে নোৱাৰে । তাৰ পিছত অনেক ভাবি-চিন্তি পাৰ্বতীয়ে অসংখ্য ডাঁহ-মহ, চেৰেপা চৰ্জন কৰি মহাদেৱক আমনি কৰিবলৈ পঠিয়াই দিলে । তাৰ পিছতো মহাদেৱ নহাত হাহা হুহু নামৰ মানস পুত্ৰ দুটা চৰ্জি পঠিয়ালে । কাহিনীত হাহা হুহুৱে মহাদেৱক উভতাই আনিব পাৰিলেনে নোৱাৰিলে এই কথা স্পষ্ট নহয়, কিন্তু পাৰ্বতীৰ দৰে আকোৰগোজকৈ লাগি থকা বেজবৰুৱাদেৱৰ মাজু জীয়েকে বেজবৰুৱাদেৱক অনতিপলমে ডিব্ৰুগড় পোৱালেহি । এনেদৰে বেজবৰুৱাদেৱে মহাদেৱৰ কৃষিকৰ্মৰ প্ৰসংগ উত্থাপন কৰি তেওঁ অসমলৈ উভতি অহাৰ কাৰণ ব্যাখ্যা কৰিছে ।

প্ৰশ্ন ৩.হাহা হুহু কোন আছিল? তেওঁলোকক কোনে কি কাৰণে সৃষ্টি কৰিছিল ? বুজাই লিখা ।

উত্তৰঃ হাহা হুহু আছিল দেৱী পাৰ্বতীৰ মানস পুত্ৰ । পাৰ্বতীয়ে হাহা হুহুক সৃষ্টি কৰি মহাদেৱক খেতি পথাৰৰ পৰা উভতাই আনিবলৈ পঠিয়াইছিল । এবাৰ পাৰ্বতীয়ে মহাদেৱক বোৰ ককৰ্থনা কৰিছিল যে মহাদেৱে ঘৰত কাম-কাজ নকৰি কেৱল ভাং-ধতুৰা খাই ঘূৰি ফুৰে । পাৰ্বতীৰ ককৰ্থনা শুনি মনত বেজাৰ লাগি মহাদেৱে বৃষভৰ পিঠিত উঠি তেতিয়াই গৈ খেতিত লাগি পৰিল । দেৱাদিদেৱ মহাদেৱৰ খেতি অতি কম দিনৰ ভিতৰতে নদন-বদন হ'ল আৰু কৃষি এৰি মহাদেৱ ঘৰলৈ উভতি নহা হ'ল । কথা বিষম দেখি পাৰ্বতীয়ে নন্দী-ভৃংগীকে ধৰি বহুজনকে মহেদেৱক ঘৰলৈ উভতাই আনিবলৈ পঠিয়াই ব্যৰ্থ হ'ল । পথাৰক মহেদেৱক আমনি কৰিবলৈ ডাঁহ, মহ, চেৰেপা এসোপা সৃষ্টি কৰিও কামত নাহিল । শেষত পাৰ্বতীয়ে হাহা আৰু হুহু নামৰ মানস পুত্ৰ দুজনক সৃষ্টি কৰি খেতি-পথাৰলৈ পঠাই দিছিল ।

প্ৰশ্ন ৪.“ডিব্ৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল ।”- ডিব্ৰুগড়ত কোনবোৰ কথাই বেজবৰুৱাক সন্তোষ দিছিল বুজাই লিখা ।

উত্তৰঃ সুদীৰ্ঘ কাল উৰিষ্যাৰ সম্বলপুৰ কটোৱাৰ পিছত বেজবৰুৱাদেৱ অসমলৈ উভতি আহে আৰু উভতি আহিয়েই ডিব্ৰুগড়ৰ মানুহৰ বিৰাট পৰিৱৰ্তন লক্ষ্য কৰে । যিবিলাক কথাই বেজবৰুৱাক সন্তোষিত কৰিছিল ।

প্ৰথমতে, ডিব্ৰুগড় অসমীয়া তিৰোতাসকলৰ গঢ়-গতি আৰু কাৰ্যকলাপ দেখি আনন্দিত হৈছিল । তেওঁলোক আগৰ দিনৰ চুকৰ ভেকুলীসদৃশ জীয়ৰী-বোৱাৰীৰ শাৰীত নাই । শিক্ষা-দীক্ষা, ৰাজহুৱা কাৰ্যাদি সকলোতে পুৰুষৰ সমকক্ষ হৈ তেওঁলোক আগবাঢ়ি গৈছে । ৰক্ষণশীল সমাজে তেওঁলোকৰ ভৰিত পিন্ধোৱা শিকলি ছিঙি প্ৰগতিৰ পথত আগবাঢ়িছে । আনকি দেশৰ সেৱাত শামুকখুজীয়া পুৰুষতকৈও বেছিকৈ আগবাঢ়িছে বুলি ক'লেও বঢ়াই কোৱা নহয় । মাজতে বিমোৰ অৱস্থাত পৰি অসমীয়া তিৰোতা-শিপিনীসকলে তেওঁলোকৰ অংগৰ ভূষণ বোৱা-কটা পৰিহাৰ কৰিছিল । যদিও ডিবৰুপৰীয়া নতুন তৰপৰ মহিলাসকলে তাক আকৌ আদৰেৰে তুলি লৈছে । ওৰণিৰ সৰ্বগ্ৰাহী গ্ৰহণৰ পৰা বিমুক্ত হৈ পৰিছে আৰু পুৰুষৰ লগত সভা-সমিতিত একে শাৰীতে

বহি নিজৰ স্বাধীন মতামত প্ৰকাশ কৰিছে। তেনে কৰোঁতে তেওঁলোকৰ স্ত্ৰীসুলভ গাম্ভীৰ্য আৰু কমনীয়তা কমা নাই। দুই-এজনাই সভাত উঠি এনে সুন্দৰকৈ বক্তৃতা প্ৰদান কৰিছে যে অনেক পুৰুষ বক্তাকো সেই বিষয়ত চেৰ পেলাইছে।

দ্বিতীয়তে, ৰামমোহন ৰায় স্মৃতি সভাত শ্ৰীমতী যোগদা দেৱীয়ে অনগৰ্লভাৱে যি বক্তৃতা দিলে তাকে শুনি বেজবৰুৱাদেৱ পুলকিত হৈ পৰিছিল। তাৰোপৰি ডিব্ৰুগড় বালিকে স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী গৌৰীপ্ৰভা চলিহাই একুৰিমান ছাত্ৰী লগত লৈ তেওঁক কৰা সম্ভাষণ তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। বেজবৰুৱাদেৱ তেওঁলোকৰ স্কুললৈ যাওঁতে ৰূপৰ বটা এটিত যি সম্ভাষণপত্ৰ তেওঁক প্ৰদান কৰিছিল। তাকে দেখি তেওঁ আপ্লুত হৈছিল। ডিব্ৰুগড়ত সভ্ৰান্ত্ৰ মহিলাসকলৰ সভাতো যিখন অভিনন্দন পত্ৰ মুগাৰ কাপোৰৰ ওপৰৰ ছপাই দিছিল, সেইখন বেজবৰুৱাদেৱে গোটেই জীৱন ৰখাৰ প্ৰতিশ্ৰুতি দিছিল।

তৃতীয়তে, ডিব্ৰুগড়ত থিয়েটাৰ অৰ্থাৎ ৰংগশালৰ বিষয়ে বেজবৰুৱাদেৱৰ উৎকণ্ঠাৰ অন্ত নাই। সেই ৰংগশাল নিৰ্মাণ কৰি তাত সভা-সমিতি, থিয়েটাৰ, যাত্ৰা, গান, ভাওনা অনুষ্ঠত কৰিছিল। থিয়টাৰৰ চিত্ৰপটবোৰ অসমীয়া চিত্ৰবিদ ডেকাসকলৰ দ্বাৰাই অংকন কৰা হৈছিল, যিবোৰ কলিকতাৰ নিপুণ চিত্ৰবিদসকলতকৈ কোনো গুণে হীন নাছিল। এনে ক্ষেত্ৰত পেইন্টিং আৰু ফটোগ্ৰাফীত মুক্তানাথ বৰদলৈৰ কৃতিত্ব লেখত ল'বলগীয়া। ডেকাসকলে পূজাৰ সময়ত কেইবাখনো নাট অভিনয় কৰিছিল। এইসমূহৰ সাজ-সজ্জা, চিত্ৰপট, ভাৱপূৰ্ণ অভিনয়, সুস্বৰ সংগীত আৰু মনোজ্ঞ নৃত্যত বিশেষ কৃতিত্ব দেখা যায়।

চতুৰ্থতে, ডিব্ৰুগড়ীয়া ডেকাসকলৰ যত্নত অসমীয়া নাট মঞ্চস্থ কৰাৰ লগতে বিদেশী নাট অসমীয়ালৈ ভাঙনি কৰি অসমৰ ৰংগশালত প্ৰকৃত অসমীয়া অনুবাদ হৈ অসমীয়াৰ পেটত জীণ নিয়াব পৰা প্ৰক্ৰিয়াটো সঁচাকৈ শলাগিবলগীয়া। বেজবৰুৱাই এই ক্ষেত্ৰত সবল প্ৰতিক্ৰিয়া দাঙি ধৰিছে। এনেদৰে ডিব্ৰুগড়ৰ অভূতপূৰ্ব পৰিৱৰ্তনে বেজবৰুৱাক বিশেষভাৱে সন্তোষিত কৰিছিল।

প্ৰশ্ন ৫.লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত, বুজাই লিখা।

উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱাই বিদেশী নাটকৰ অসমীয়া অনুবাদ জীণ যোৱা বিধৰ হ'ব লাগে বুলি কৈছে।

অসমত বিদেশি নাটক অসমীয়ালৈ ভাঙি অসমীয়া ৰংগশালত অভিনয় কৰাটো অনেক মানি নলয়। বেজবৰুৱাদেৱ এই ক্ষেত্ৰত বিৰোধী। অৱশ্যে তাৰ অনুবাদ প্ৰকৃত অসমীয়া অনুবাদ হৈ অসমীয়াৰ পেটত জীণ যোৱাবিধৰ হ'ব লাগিব। ভাল বিদেশী নাটকৰ উৎকৃষ্ট ভাৱ-সম্পদেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য বঢ়োৱাটো অতি শোভন কথা, যদি সেই ভাৱ-সম্পদক বাৰে বঙলুৱা অসমীয়া নকৰি আচল অসমীয়া কৰি দিয়া যায়। ভাৰতৰ নানা ঠাইৰ পৰা মানুহ আহি অসমত বসতি কৰিছে। যদি সেইবোৰে অসমক সৰ্বতোভাৱে বৰণ কৰি অসমীয়া হৈ যায়। তাৰ দ্বাৰা অসমৰ আপদ নাবাঢ়ি সম্পদহে বাঢ়িব। এনে এক গঢ়েৰেই পুৰণি কালৰ পৰা অসম পৰিপুষ্ট হৈ আহিছে। এটা সময়ত কলিকতাৰ প্ৰবাসী অসমীয়া ছাত্ৰই লগ লাগি শ্বেক্সপীয়েৰৰ Comedy of Errors অসমীয়ালৈ ভাঙি 'ভ্ৰমৰংগ' নাম দি অভিনয় কৰিছিল। তাত অসমীয়া অনুবাদকৰ ছাঁইয়া নিশ্চিতভাৱে পৰিছিল, যিয়ে নাটকখনি অধিক মোহনীয় কৰি তুলিছিল। বেজবৰুৱাদেৱৰ মতে এতিয়াও উঠি অহা ডেকাসকলে তেনে গঢ়েৰে বিদেশী নাট অসমীয়ালৈ ভাঙি তাক অসমীয়া সাজপাৰ পিন্ধাই অসমীয়া ৰংগশালত তুলি দিলে তাত আপত্তি কৰিবলগীয়া বিশেষ স্থল একো নাথাকিব।